**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। পশ্চিমবংগৰ ১৫২টা আৰু তামিলনাডুৰ ২৩৪টা বিধানসভা সমষ্টিৰ বাবে আজি পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হৈছে।

২। নিৰ্বাচনী আৰ্হি আচৰণ বিধি উলংঘা কৰি প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে কৰা আপত্তিজনক মন্তব্যৰ বাবে নিৰ্বাচন আয়োগে কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে।

৩। ভাৰতৰ হস্ততাত বস্ত্ৰ খণ্ডৰ ৰপ্তানী ২ দশমিক ১ শতাংশ বৃদ্ধিৰে চলিত বিত্তীয় বৰ্ষত ৩ লাখ ১৬ হাজাৰ ৩৩৪ কোটিৰো অধিক হৈছে।

৪। মণিপুৰৰ থৌবাল জিলাত থকা খেবাছিঙৰ যুদ্ধ স্মাৰকত আজি খংজম দিৱস পালন কৰা হ'ব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৪০ ৰানত পৰাস্ত কৰে।

ooooo

পশ্চিমবংগ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱা ৭ বজাত আৰম্ভ হৈছে। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। প্ৰথম পৰ্যায়ত ১৬ খন জিলাৰ ১৫২টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। জিলাসমূহ হৈছে– দাৰ্জিলিং, কালিম্পং, জলপাইগুৰি, আলিপুৰদুৱাৰ, কোচবিহাৰ, উত্তৰ আৰু দক্ষিণ ডিনাজপুৰ, মালডা, মুৰ্শিদাবাদ, বীৰভুম, পশ্চিম বৰ্ধমান, পুৰুলীয়া, বানকুৰা, ঝাৰগ্ৰাম, পশ্চিম মেদিনীপুৰ আৰু পূব মেদিনীপুৰ। এই পৰ্যায়ৰ নিৰ্বাচনত এহেজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ১৫২টা সমষ্টিত ৪৪ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ৭ হাজাৰ ৩৮৪ অতি স্পৰ্শকাতৰ নাইবা জটিল বুলি চিনাক্ত কৰা হৈছে। ভোট কেন্দ্ৰসমূহৰ ভিতৰত ৫ হাজাৰ ৪৪৪টা ভোটকেন্দ্ৰ মহিলাই পৰিচালনা কৰিছে। ৰাজ্যখনত ৩ কোটি ৬০ লাখৰো অধিক ভোটদাতাই আজি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে।

নিৰ্বাচন আয়োগে এই ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ দুহেজাৰ ৪০৭টা কোম্পানীৰ ২ লাখ ৪০ হাজাৰৰো অধিক জোৱান নিয়োগ কৰিছে। তদুপৰি দ্ৰুত সঁহাৰি দলো ভোটকেন্দ্ৰসমূহত নিয়োগ কৰা হৈছে। ভোটগ্ৰহণৰ সময়ছোৱাত যিকোনো ওজৰ-আপত্তিৰ বাবে আয়োগে ১৮০০৩-৪৫০০০৮ টোল ফ্ৰি নম্বৰ আৰু ই-মেইল আইডি মুকলি কৰিছে। আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰতে ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰাৰ লগতে ভোটদাতাসকলৰ বাবে প্ৰয়োজনীয় সা-সুবিধা ৰখা হৈছে। ভোট কেন্দ্ৰসমূহৰ বাহিৰত মোবাইল ফোন ৰখাৰ ব্যৱস্থা কৰা হৈছে।

ooooo

নিৰ্বাচন আয়োগে তামিলনাডু আৰু পশ্চিমবংগৰ বিধানসভা নিৰ্বাচন আৰু উপ-নিৰ্বাচনৰ প্ৰাক্-মুহূৰ্তত এহেজাৰ কোটি টকাতকৈও অধিক মূল্যৰ সা-সামগ্ৰী জব্দ কৰিছে। আয়োগে প্ৰকাশ কৰা মতে যোৱা ফেব্ৰুৱাৰীত বিভিন্ন আপত্তিজনক সা-সামগ্ৰী জব্দ কৰাৰ নিৰ্দেশ কাৰ্যকৰী হোৱাৰ পাছৰে পৰা পশ্চিমবংগত নগদ ধন, সুৰা, মাদক দ্ৰব্য, মূল্যৱান ধাতুকে ধৰি ৪৭২ কোটি টকাতকৈও অধিক মূল্যৰ সা-সামগ্ৰী জব্দ কৰাৰ তথ্য পোৱা গৈছে। ইপিনে, তামিলনাডুত ৫৯৯ কোটি টকাৰ সামগ্ৰী জব্দ কৰা হয়। আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে নিৰ্বাচনী আচৰণ বিধি কঠোৰভাৱে বলৱৎ হোৱাটো সুনিশ্চিত কৰাৰ বাবে দুয়োখন ৰাজ্যতে ৫ হাজাৰ ৩০০ তকৈও অধিক নিৰীক্ষণ বাহিনী নিয়োগ কৰা হৈছে। আয়োগে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিব পৰাকৈ যাৱতীয় নিৰ্দেশনা জাৰি কৰিছে। নিৰ্বাচনী আচৰণ বিধি সম্বন্ধীয় বিভিন্ন বিষয় চোৱাচিতা কৰাৰ বাবে জিলা ওজৰ-আপত্তি সমিতি গঠন কৰা হৈছে।

ooooo

তামিলনাডু বিধানসভাৰ ২৩৪ খন আসনৰ বাবে আজি পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হৈছে আৰু সন্ধিয়া ৬ বজাত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ অন্ত পৰিব। অৱশ্যে ৬ বজাৰ পূৰ্বে শাৰীত থিয় হৈ থকা ভোটদাতাসকলক নিৰ্ধাৰিত সময়ৰ পাছতো ভোটদান কৰিবলৈ দিয়া হ’ব। আজিৰ ভোটগ্ৰহণত ৫ কোটি ৭৩ লাখৰো অধিক ভোটদাতাই ৪ হাজাৰ ২৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া অৰ্চনা পাটনায়েকে প্ৰকাশ কৰা মতে ভোটগ্ৰহণ শান্তিপূৰ্ণ, সুশৃংখল আৰু নিয়াৰিকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনত ৭৫ হাজাৰৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰি তোলাৰ বাবে কমেও ৮৪ হাজাৰ আৰক্ষীৰ লোক নিয়োগ কৰাৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু চি আৰ পি এফৰ ৩০০টা কোম্পানী নিয়োগ কৰা হৈছে। তদুপৰি নিৰ্বাচন আয়োগে নিয়োগ কৰা ফ্লায়িং স্কোৱাড আৰু নিৰীক্ষণকাৰী দলে নিৰ্বাচনী আৰ্হি আচৰণ বিধি উলংঘাৰ ঘটনা ধৰা পেলাবলৈ প্ৰতিখন জিলাতে সক্ৰিয় হৈ আছে। ভোট কেন্দ্ৰসমূহৰ ভিতৰলৈ মোবাইল ফোন নিবলৈ দিয়া নহ’ব যদিও কেন্দ্ৰসমূহৰ চৌহদত মোবাইল ফোন ৰখাৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে অসম, তামিলনাডু, পশ্চিমবংগ, কেৰালা আৰু পুডুচেৰীৰ বাবে ৪ মে’ত ভোটগণনা অনুষ্ঠিত হ’ব।

ooooo

নিৰ্বাচনী আৰ্হি আচৰণ বিধি উলংঘা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সম্পৰ্কত কৰা আপত্তিজনক মন্তব্যৰ বাবে নিৰ্বাচন আয়োগে কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। শ্ৰীখাৰ্গেই চেন্নাইত আয়োজিত এখন সংবাদমেলত প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে এই মন্তব্য কৰিছিল। আয়োগে ২৪ ঘণ্টাৰ ভিতৰত খাৰ্গেক নিজৰ স্থিতি স্পষ্ট কৰিবলৈ নিৰ্দেশ দিছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজু আৰু বিজেপিৰ কেইবাগৰাকীও কাৰ্যকৰ্তাই আয়োগক দিয়া অভিযোগৰ পাছত আয়োগে এই জাননী জাৰি কৰে। আয়োগে প্ৰকাশ কৰা মতে প্ৰাথমিক মতামত অনুসৰি কংগ্ৰেছৰ দলৰ সভাপতিগৰাকীয়ে নিৰ্বাচনী আৰ্হি আচৰণ বিধি উলংঘা কৰিছে।

ooooo

ভাৰতৰ হস্ততাত বস্ত্ৰ খণ্ডৰ ৰপ্তানী ২ দশমিক ১ শতাংশ বৃদ্ধিৰে চলিত বিত্তীয় বৰ্ষত ৩ লাখ ১৬ হাজাৰ ৩৩৪ কোটিৰো অধিক হৈছে। বিগত বিত্তীয় বৰ্ষৰ এই সময়ছোৱাত এই ৰপ্তানীৰ মূল্য আছিল প্ৰায় ৩ লাখ ৯ হাজাৰ ৮৫৯ কোটি। ৰেডিমেড পোচাকে মুঠ ৰপ্তানীৰ সৰ্বাধিক অংশ অধিকাৰ কৰিছে। ২

দশমিক ৯ শতাংশ বৃদ্ধিৰে এই পোচাকৰ ৰপ্তানীৰ মূল্য প্ৰায় ১ লাখ ৩৯ হাজাৰ ৩৪৯ কোটি টকা হৈছে। আনহাতে কপাহী সূতাৰ পৰা প্ৰস্তুত কৰা কাপোৰ আৰু অন্য হস্ততাত বস্ত্ৰৰ ৰপ্তানী মূল্য প্ৰায় এক লাখ দুহেজাৰ ৩৯৯ কোটি টকা হৈছে। কৃত্ৰিমভাৱে প্ৰস্তুত কৰা সূতাৰে তৈয়াৰী কাপোৰৰ ৰপ্তানী ৩ দশমিক ৬ শতাংশ বৃদ্ধিৰে পূৰ্বৰ ৪১ হাজাৰ ১৯৬ কোটি টকাৰ পৰা ৪২ হাজাৰ ৬৮৭ কোটি টকা হৈছেগৈ বুলি বস্ত্ৰ মন্ত্ৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে। মূল্য সংযোজিত সামগ্ৰীৰ ভিতৰত হাতেৰে তৈয়াৰী দলিচাৰ বাহিৰে অন্য হস্তনিৰ্মিত সামগ্ৰীৰ ৬ দশমিক ১ শতাংশ ৰপ্তানী বৃদ্ধি হৈছে।

ooooo

মণিপুৰৰ থৌবাল জিলাত থকা খেবাছিঙৰ যুদ্ধ স্মাৰকত আজি খংজম দিৱস পালন কৰা হ'ব। ১৮৯১ চনত ইংৰাজৰ বিৰুদ্ধে খংজমত হোৱা যুদ্ধত চৰম বলিদান দিয়া সাহসী মণিপুৰী যোদ্ধাসকলৰ স্মৃতিত প্ৰতিবছৰে ২৩ এপ্ৰিলত এই দিৱস পালন কৰা হয়। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা আৰু মুখ্যমন্ত্ৰী য়ুমনাম খেমচান্দ সিঙে আজি এই দিৱসৰ কাৰ্যসূচীত অংশ লৈ যুদ্ধ স্মাৰকত শ্বহীদসকলৰ প্ৰতি পুষ্পমাল্য তৰ্পণ কৰিব। ইয়াৰ পাছতে তোপধ্বনিৰে বীৰ জোৱানসকলক সন্মান জনোৱা হ'ব। তদুপৰি এই যুদ্ধৰ স্মৃতিত খংজম নৈত তৰ্পণ কাৰ্যসূচী আৰু এখন নাট মঞ্চস্থ কৰা হ'ব। অনুষ্ঠান নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে অঞ্চলটোত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথসমূহতো জনসাধাৰণৰ সুবিধা হোৱাকৈ সুৰক্ষা ব্যৱস্থা কৰা হৈছে। ৰাজ্যখনত কেইবাটাও সংগঠনে বন্ধ কাৰ্যসূচী ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত এই ব্যৱস্থা লোৱা হৈছে। ৰাজ্য চৰকাৰে এই কাৰ্যসূচীত অংশ ল'বলৈ আগ্ৰহীসকলৰ সুবিধাৰ্থে বিশেষ বাছ চলাচলৰো ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে ১৮৯১ চনৰ এই যুদ্ধত মণিপুৰী যোদ্ধাসকলে ইংৰাজৰ বিৰুদ্ধে ৮ খন যুদ্ধক্ষেত্ৰত যুঁজ দিছিল আৰু খংজমৰ অন্তিমখন যুদ্ধক্ষেত্ৰত দিয়া যুঁজৰ ফলত ৰাজ্যখনে সফলতা লাভ কৰিছিল।

ooooo

ভগৱান বুদ্ধৰ পবিত্ৰ তথাগত অৱশেষ, কেন্দ্ৰীয় শাসিত অঞ্চললৈ লৈ যোৱাৰ বাবে সকলো প্ৰস্তুতি সম্পুৰ্ণ হৈছে। এইবাৰ প্ৰথমবাৰৰ বাবে এই পবিত্ৰ অৱশেষ নিজৰ স্থায়ী স্থানৰ পৰা দেশৰ কোনো অঞ্চলত  প্ৰদৰ্শনীৰ বাবে নিয়াৰ ব্যৱস্থা কৰা কৈছে। কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট আৰু লাডাখৰ উপ ৰাজ্যপাল বিনয় কুমাৰে চাক্সেনাৰ উপস্থিতিত কালি নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত এই কথা ঘোষণা কৰা হয়। ১৫ দিনলৈ চলিবলগীয়া  এই প্ৰদৰ্শনী অহা পহিলা  মে'ত আৰম্ভ হ'ব। Z পৰ্যায়ৰ এখন বিশেষ বিমানেৰে এই অৱশেষ লাদাখলৈ নিয়া হ'ব। সংবাদমেলত কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱতে কয় যে, এই প্ৰদৰ্শনী  দেশৰ আত্ম আৰু সভ্যতাৰ উদযাপন হ'ব। এই প্ৰদৰ্শনীত বিশ্বৰ ভিন্ন প্ৰান্তৰ ৰাষ্ট্ৰ মুৰব্বী , সাধু সন্ত, আৰু ভক্ত সকলকে ধৰি অগণন লোকৰ সমাৱেশ হ'ব বুলি আশা কৰা হৈছে। তেওঁ কয় যে, অহিংসা, কৰুণা সন্দৰ্ভত ভগৱান বুদ্ধৰ শিকনিসমূহ  অনিশ্চয়তা আৰু সংঘৰ্ষ জৰ্জৰিত বিশ্বৰ প্ৰেক্ষাপটত আজীয়ভ অত্যন্ত প্ৰাসংগিক হৈ আছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৪০ ৰানত পৰাস্ত কৰে। টছত জিকি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ৰাজস্থানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট

হেৰুৱাই ১৫৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত লক্ষ্ণৌৱে ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰবীন্দ্ৰ জাডেজাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত